# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-08-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ শেহতীয়াকৈ উচ্ছেদ অভিযান চলোৱা বিদ্যাপুৰত আজি অসম আৰু নাগালেণ্ড চৰকাৰৰ প্ৰতিনিধিয়ে এখন বৈঠকত মিলিত হয়। তেওঁলোকে উচ্ছেদিত স্থান আৰু গছপুলি ৰোপণ কাৰ্যসূচী পৰিদৰ্শন কৰে। নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী ৱাই পেট্টন, ভাণ্ডাৰী সমষ্টিৰ বিধায়ক আছান্থেঅ' কিকন, ওখা সমষ্টিৰ বিধায়ক ৱাই মহেম' ন'বেঅ' হুমেছেৰ উপৰি ৰাজ্যখনৰ কেইবাগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়াই সমগ্ৰ পৰিস্থিতি নিৰীক্ষণ কৰে। অসম চৰকাৰৰ হৈ বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, স্থানীয় বিধায়ক বিশ্বজিৎ ফুকন, গোলাঘাট জিলা আয়ুক্ত পুলক মহন্ত আৰু আৰক্ষী অধীক্ষক ৰাজেন সিঙৰ লগতে বন বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে উৰিয়ামঘাটৰ উচ্ছেদ অভিযানত স্থগিতাদেশ জাৰি কৰিছে।

গোৱালপাৰা জিলা প্ৰশাসনে আজি মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাক্ষসিনী অঞ্চলত উচ্ছেদ অভিযান চলাই ১০৫ খন ব্যৱসায়িক প্ৰতিষ্ঠান দখলমুক্ত কৰে।

নগাঁও জিলা প্ৰশাসনেও ধিং ৰাজহ চক্ৰৰ অধীনৰ ডাগৰ আৰু আলিটাঙনি মৌজাৰ জেঙনি তিনিআলিত ২৭ আগষ্টত উচ্ছেদ চলাব।

ooooo

সমাগত বিটিচি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে আজি কোকৰাঝাৰ জিলা ভ্ৰমণ কৰি জিলাখনৰ আইন শৃংখলা পৰিস্থিতি পৰ্যালোচনা কৰাৰ লগতে জিলা আৰক্ষী বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। সঞ্চালক প্ৰধানগৰাকীয়ে নিৰ্বাচন শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে আইন শৃংখলা ব্যৱস্থা শক্তিশালী কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে এই নিৰ্বাচন পৰিচালনাৰ বাবে অসম আৰক্ষী সম্পূৰ্ণৰূপে সাজু বুলিও মন্তব্য কৰে।

ooooo

একাংশ সংবাদ মাধ্যমে গণতন্ত্ৰৰ প্ৰহৰি হিচাপে মূল ভূমিকাৰ পৰা আঁতৰি যোৱাৰ লগতে প্ৰায় সংখ্যক সংবাদ মাধ্যমৰ পূৰ্বৰ স্বাধীনতা হ্ৰাস পাইছে। আজি আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত কেইবাগৰাকীও জ্যেষ্ঠ সাংবাদিকে এই বিষয়ে প্ৰকাশ কৰে। পৰিৱৰ্তিত সময়ত সংবাদ মাধ্যমৰ প্ৰতি সৰ্বসাধাৰণৰ আস্থা অটুট আছেনে আৰু এই চতুৰ্থ স্তম্ভৰ সৈতে পঞ্চম স্তম্ভৰো প্ৰয়োজন আহি পৰিছে নেকি শীৰ্ষক বিষয়ত আজিৰ দৃষ্টিপাতত অংশ লৈ তেওঁলোকে এই বিষয়ে প্ৰকাশ কৰে। অনুষ্ঠানটোত জ্যেষ্ঠ সাংবাদিক দ্যা হিন্দু কাকতৰ উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাক্তন ব্যুৰো চীফ সুশান্ত তালুকদাৰ, স্তম্ভলেখক শংকৰ শইকীয়া, জ্যেষ্ঠ সাংবাদিক মনোৰম গগৈ আৰু তেজপুৰৰ মহাজাতি আৰু অগ্নিগড় কাকতৰ প্ৰাক্তন সহযোগী সম্পাদক অঞ্জন গোস্বামীয়ে কয় যে ক্ৰমাৎ সংবাদ মাধ্যমৰ প্ৰতি মানুহৰ বিশ্বাসযোগ্যতা কমি অহা যেন অনুভৱ হৈছে। বিশ্বায়নৰ পাছত একাংশ বৃহৎ পুজিপতি গোষ্ঠীৰ সংবাদ মাধ্যমৰ দায়িত্ব গ্ৰহণ আৰু বহু সাংবাদিক সক্ৰিয় ৰাজনীতিৰ সৈতে জড়িত হৈ পৰাৰ লগতে বিভিন্ন কাৰণত এই পৰিৱৰ্তন হৈছে বুলি তেওঁলোকে মন্তব্য কৰে। সম্প্ৰতি পৰিৱৰ্তিত সময়ৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণৰ কণ্ঠ হ'ব পৰাকৈ পঞ্চম স্তম্ভ বা বিকল্প সংবাদ মাধ্যমৰ প্ৰয়োজন হৈ আহি পৰিছে বুলি তেওঁলোকে উল্লেখ কৰে। এই অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজী নগৰত মুখ্যমন্ত্ৰীৰ নগৰীয়া পকী পথ নিৰ্মাণ আঁচনিৰ পুঁজিৰে নিৰ্মিত গৌৰৱ পথটো উদ্বোধন কৰে। জিলাখনৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাছাৰি মৈদাম তিনিআলিৰ পৰা জিলা আয়ুক্ত ভৱন হৈ ষ্টেছন ৰোড সংযোগী এই পথটোৱে অঞ্চলটোৰ ৰাইজক যাতায়াতৰ ক্ষেত্ৰত সকাহ দিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। লোক নিৰ্মাণ বিভাগৰ ধেমাজী, ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অধীনত এক কোটি ৮৬ লাখ ৯৮ হাজাৰ টকা ব্যয়েৰে পথটো নিৰ্মাণ কৰা হৈছে।

০০০০০

বিশ্বনাথ জিলাৰ সমষ্টি ভিত্তিক মুকলি কৰিবলগীয়া বৃহৎ স্বাস্থ্য শিবিৰৰ প্ৰস্তুতি সন্দৰ্ভত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলাখনৰ সমষ্টিসমূহত এই শিবিৰ পৰিচালনাৰ বাবে কেনেধৰণৰ কাম কৰা হৈছে সেই বিষয়ে আলোচনা কৰা হয়। জিলাখনৰ অতিৰিক্ত আয়ুক্ত, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক, বিদ্যালয় পৰিদৰ্শক, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তাৰ উপৰি শিক্ষা আৰু স্বাস্থ্য বিভাগৰ কেইবাগৰাকীও বিষয়া এই বৈঠকত উপস্থিত থাকে। উল্লেখযোগ্য যে কিশোৰীসকলৰ স্বাস্থ্য উন্নত কৰাৰ বাবে পৰামৰ্শ প্ৰদানৰ লগতে ৰোগ নিৰ্ণয়ৰ বাবে এই শিবিৰৰ আয়োজন কৰা হৈছে।

০০০০০

ডিব্ৰুগড় জিলাৰ বামুনবাৰী দোমৰদলং গাওঁ পঞ্চায়তৰ ফতিকাচোৰা নেপালী গাঁৱত আজি মন্ত্ৰী বিমল বৰাই তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ অনুমোদন পত্ৰ বিতৰণ কৰে। এই আঁচনিৰ অধীনত এতিয়াৰে পৰা হিতাধিকাৰীসকলে ৰন্ধন গেছৰ চিলিণ্ডাৰত লাভ কৰিবলগীয়া ২৫০ টকা ৰেহাই ধনৰ আবেদনপত্ৰ মন্ত্ৰীগৰাকীয়ে বিতৰণ কৰে। এই কাৰ্যসূচীত বিজেপিৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে।

০০০০০

নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত পুনৰ খিতাপ জয় কৰি দ্বিতীয়বাৰৰ বাবে এই প্ৰতিযোগিতাৰ ছেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত ফাইনেলত আজি দলটোৱে ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবক ৬-১ গ'লত পৰাজিত কৰে। খেলৰ প্ৰথম অৰ্ধত নৰ্থ ইষ্ট ইউনাইটেডে দুটা গ'ল দি বিপক্ষক চাপত ৰাখিবলৈ সমৰ্থ হয়। ইয়াৰ পাছতে ৫০, ৬৮, ৮১ আৰু ৮৬ মিনিটত দলটোৱে বাকী গ'লকেইটা দিবলৈ সমৰ্থ হয়। ইয়াৰ মাজতে ৬৮ মিনিটত ডায়মণ্ড হাৰ্বাৰ দলে প্ৰথম আৰু একমাত্ৰ গ'লটো দিয়ে। প্ৰতিযোগিতাত ৮ টা গ'ল দিয়া আজাৰাই গল্ডেন ব'ল আৰু গল্ডেন বুট লাভ কৰে। নৰ্থ ইষ্ট ইউনাইটেডৰ গুৰমীতক শ্ৰেষ্ঠ গ'লৰক্ষকৰ সন্মান দিয়া হয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ